Library ☆ Salbari College, Salbari

# 2023

## ASSAMESE

Paper : ASMRG6026

( **Functional Grammar of Assamese** )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) ‘অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব’ নামৰ ব্যাকৰণ গ্ৰন্থখনৰ লিখক কোন?

(i) হেমচন্দ্ৰ বৰুৱা

(ii) সত্যনাথ বৰা

(iii) কালিৰাম মেধি

(iv) ড. উপেন্দ্ৰনাথ গোস্বামী

(খ) সত্যনাথ বৰাৰ ‘বহল ব্যাকৰণ’খনৰ প্ৰকাশৰ চন কোনটো?

(i) ১৮৫৯ খৃঃ

(ii) ১৯২৫ খৃঃ

(iii) ১৯৩৬ খৃঃ

(iv) ১৯৮১ খৃঃ



Scanned with AnyScanner

(গ) অসমীয়া ভাষাৰ শব্দ-বিভক্তি কেইবিধ?

(i) চাৰিবিধ

(ii) পাঁচবিধ

(iii) ছয়বিধ

(iv) সাতবিধ

(ঘ) অসমীয়া ভাষাত বাক্যক কেইভাগত ভগাব পাৰি?

(i) তিনি ভাগত

(ii) চাৰি ভাগত

(iii) পাঁচ ভাগত

(iv) ছয় ভাগত

(ঙ) অসমীয়া ভাষাত ক্ৰিয়াবাচক বিশেষ্য পদ কোনবোৰ?

(i) সভা, সমিতি, পৰিষদ, ৰাইজ

(ii) সুখ, দুখ, ল'ৰালি, ভদ্ৰতা

(iii) খাৱন, শোৱন, নাচন, অধ্যয়ন

(iv) দেউতা, মা, মামা, দাদা

(চ) পাণিনিৰ 'অষ্টাধ্যায়ী' নামৰ ব্যাকৰণখনত কেইটা অধ্যায় আছিল?

(i) সাতটা

(ii) আঠটা

(iii) নটা

(iv) দহটা



Scanned with AnyScanner

(ছ) 'ৰাতি' শব্দটোৰ সমাৰ্থক শব্দ হ'ল

*(i)* তটিনী

*(ii)* যামিনী

*(iii)* পিনাকী

*(iv)* আলয়

(জ) তলৰ কোনটো বিশেষণীয় বিশেষণ পদ, লিখা।

*(i)* অত্যন্ত গৰ্হিত কাম

*(ii)* আন্তৰ্জাতিক সমস্যা

*(iii)* দৌৰা-দৌৰিকৈ

*(iv)* জনবহুল নগৰ

(ঝ) তলত দিয়া শব্দসমূহৰ পৰা তৎসম শব্দসমূহ বাছি উলিওৱা

*(i)* হাফলু, মাইহাং, জখলা, হেঙ্গাৰ

*(ii)* ভক্তি, ৰত্ন, মৰ্ম্ম, ধৰ্ম সপত্নী

*(iii)* ভঙ্গুৰা, আলাবাদু, ঘুটমুট, লাটুম

*(iv)* আঁচুসূতা, জহামাল, গেৰেকণি, গাহৰি

(ঞ) 'বুৰঞ্জী' শব্দটো অসমীয়া ভাষালৈ তলত উল্লেখ কৰা কোনেটো ভাষাৰ পৰা অহা?

*(i)* কোল-মুণ্ডাৰী

*(ii)* বড়ো

*(iii)* আহোম

*(iv)* মালয়



Scanned with AnyScanner

২। তলত দিয়া প্ৰশ্নসমূহৰ অতি চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১

(ক) ড. বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম কি?

(খ) প্ৰত্যয় মূলৰূপৰ কোন কোন স্থানত বহিব পাৰে?

(গ) অসমীয়া ভাষাত পঞ্চমী বিভক্তি বুজাবলৈ কি নিয়ম অৱলম্বন কৰা হয়?

(ঘ) অসমীয়া ভাষাৰ স্ত্ৰী-প্ৰত্যয় কেইটা আৰু কি কি?

(ঙ) অসমীয়া ভাষাত পুৰুষ কেইবিধ আৰু কি কি?

(চ) ধাতু কাক বোলে, উদাহৰণসহ লিখা।

(ছ) কাল কেইপ্ৰকাৰৰ আৰু কি কি?

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো ছয়টা) : ৫×৬=৩০

(ক) বিভক্তি আৰু প্ৰত্যয়ৰ পাৰ্থক্য কি, উদাহৰণসহ ব্যাখ্যা কৰা।

(খ) সমাপিকা আৰু অসমাপিকা ক্ৰিয়া বুলিলে কি বুজা?

(গ) অসমীয়া ভাষাৰ বহুবচনৰ প্ৰত্যয়বোৰৰ বিষয়ে চমুকৈ লিখা।

(ঘ) পদ বা শব্দৰ শ্ৰেণীবিভাজন সম্পৰ্কে চমুকৈ লিখা।

(ঙ) তলৰ শব্দবোৰৰ বিপৰীত শব্দ কি হ'ব, লিখা :

অনুকূল, কনিষ্ঠ, প্ৰচুৰ, তিৰস্কাৰ, ভীৰু।



Scanned with AnyScanner

(চ) অসমীয়া ভাষাৰ অৰ্ধ তৎসম শব্দবোৰৰ বিষয়ে চমুকৈ লিখা।

(ছ) বিশেষ্য পদ কেইপ্ৰকাৰৰ আৰু কি কি, উদাহৰণসহ লিখা।

(জ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা ধ্বন্যাত্মক শব্দবোৰৰ বিষয়ে লিখা।

(ঝ) সৰ্বনাম পদ কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি?

(ঞ) অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ বিষয়ে আলোচনা কৰা।

৪। তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অসমীয়া ভাষাত লিংগভেদ বুজাবলৈ কি কি উপায় অৱলম্বন কৰা হয়, উদাহৰণসহ ব্যাখ্যা কৰা।

(খ) অসমীয়া ভাষাত বানান ভুল হোৱাৰ কেইটামান কাৰণ ফঁহিয়াই দেখুৱা।

(গ) অসমীয়া ভাষাত বিদেশী মূলৰ শব্দ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) গঠন অনুসৰি বাক্যক কি কি ভাগত ভগাব পাৰি, উদাহৰণসহ বুজাই লিখা।



Scanned with AnyScanner

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰৰ বিষয়ে বহলাই আলোচনা কৰা।

(খ) ব্যাকৰণ বুলিলে কি বুজা? অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) বাক্যতত্ত্ব বুলিলে কি বুজা? অসমীয়া ভাষাৰ বাক্যতত্ত্ব সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

★ ★ ★



Scanned with AnyScanner

Central Library ☆ Baksa Pin: 781320 Estd. 1983 Salbari college, Salbari

**63/1 (SEM–2) MIL1/ASMCS2026**

**2023**

ASSAMESE

Paper : ASMCS2026

**( Introduction to Assamese Poetry and Drama )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) "প্ৰতিমাখনি যদিও সৰু কিন্তু নিভাঁজ সোণৰ।" বুলি কোনে মন্তব্য কৰিছিল?

(i) হেমচন্দ্ৰ বৰুৱাই

(ii) লক্ষ্মীনাথ বেজবৰুৱাই

(iii) গুণাভিৰাম বৰুৱাই

(iv) বাণীকান্ত কাকতিয়ে

(খ) 'হে অৰণ্য, হে মহানগৰ' কাব্যগ্ৰন্থখনৰ ৰচক কোন?

(i) হেম বৰুৱা

(ii) ভবানন্দ দত্ত

(iii) নৱকান্ত বৰুৱা

(iv) হৰি বৰকাকতি



Scanned with AnyScanner

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম নাটকখনৰ নাম কি?

*(i)* ৰূপালীম

*(ii)* কাৰেঙৰ লিগিৰী

*(iii)* লভিতা

*(iv)* শোণিত কুঁৱৰী

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

*(i)* বন ফৰিঙৰ ৰং

*(ii)* দিনৰ পিছত দিন

*(iii)* সুদীৰ্ঘ দিন আৰু ঋতু

*(iv)* সমীপেষু

(ঙ) গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশিত 'কবিতা-মঞ্জৰী' গ্ৰন্থখনৰ সম্পাদিকাগৰাকীৰ নাম কি?

*(i)* ড. নিৰ্মলপ্ৰভা বৰদলৈ

*(ii)* নলিনীবালা দেৱী

*(iii)* কৰবী ডেকাহাজৰিকা

*(iv)* নিৰূপমা বৰগোহাঞি



Scanned with AnyScanner

(চ) ‘অসমৰ লোকনাট’ গ্ৰন্থখনিৰ গ্ৰন্থকাৰগৰাকীৰ নাম কি?

*(i)* লীলা গগৈ

*(ii)* নবীনচন্দ্ৰ শৰ্মা

*(iii)* বিৰিঞ্চি কুমাৰ বৰুৱা

*(iv)* কৰুণা ডেকা

(ছ) মাধৱদেৱ বিৰচিত ‘খেদ’ নামৰ কবিতাটি কোনখন গ্ৰন্থৰ অন্তৰ্গত?

*(i)* নামঘোষা

*(ii)* ভক্তি ৰত্নাৱলী

*(iii)* ভক্তি প্ৰদীপ

*(iv)* নাম-মালিকা

(জ) চন্দ্ৰধৰৰ পত্নীৰ নাম কি?

*(i)* মেনকা

*(ii)* সনেকা

*(iii)* নেতা

*(iv)* পদ্মা

(ঝ) লক্ষ্মীনাথ বেজবৰুৱাৰ একমাত্ৰ উপন্যাসখনৰ নাম কি?

*(i)* পদুম কুঁৱৰী

*(ii)* কনৌজ কুঁৱৰী

*(iii)* শোণিত কুঁৱৰী

*(iv)* ভানুমতী



Scanned with AnyScanner

(ঞ) প্ৰথম অসমীয়া চনেট লিখা কবিগৰাকী হ'ল

(i) দেৱকান্ত বৰুৱা

(ii) নৱকান্ত বৰুৱা

(iii) হিতেশ্বৰ বৰবৰুৱা

(iv) হেমচন্দ্ৰ গোস্বামী

২। তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) দ্ৰৌপদী কোন? তেওঁৰ অন্তৰত কাৰ প্ৰতি আকৰ্ষণ আছিল?

(খ) 'কাণখোৱা' পুথিৰ ৰচক কোন? তেওঁ কোন যুগৰ কবি?

(গ) "কবিতা হয় যদি হওঁক নহয় যদি নহওঁক"—বুলি কোনে কৈছিল? তেওঁৰ এখন কবিতা-পুথিৰ নাম লিখা।

(ঘ) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটো কোনখন কাকতত প্ৰকাশ পাইছিল? কাকতখনৰ প্ৰথম সম্পাদকগৰাকীৰ নাম লিখা।

(ঙ) হীৰেন ভট্টাচাৰ্য কি কবিৰূপে পৰিচিত? তেওঁৰ শিশু উপযোগী কবিতা-পুথি এখনৰ নাম লিখা।



Scanned with AnyScanner

(চ) লভিতাৰ ঘৰ অসমৰ কোন জিলাৰ, কোন গাঁওত আছিল ?

(ছ) মফিজুদ্দিন আহমদ হাজৰিকাৰ দুখন কবিতা-পুথিৰ নাম লিখা।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) নাটকৰ উপাদান সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(খ) মাধৱদেৱৰ চমু পৰিচয় দাঙি ধৰা।

(গ) ৰোমাণ্টিক কবিতা হিচাপে 'মালতী'ৰ এটি আলোচনা আগবঢ়োৱা।

(ঘ) "গোলাপ ককাইদেউ। গোলাপ ককাইদেউ। এৰি দিয়া —এৰি দিয়া। ময়ো পিতাইৰ লগতে মৰো।" ইয়াত কোনে, কি প্ৰসংগত মৰিবলৈ বিচাৰিছিল, চমুকৈ লিখা।

(ঙ) অসমৰ লোকনাট্য পৰম্পৰাত 'ওজাপালি'ৰ গুৰুত্ব বিচাৰ কৰা।

(চ) চুফীবাদ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ছ) পাঁচালী সাহিত্য সম্পৰ্কে চমু আলোচনা আগবঢ়োৱা।



Scanned with AnyScanner

(জ) মাধৱদেৱৰ 'খেদ' কবিতাটিত প্ৰকাশিত ভক্তিভাৱ সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(ঝ) অজিত বৰুৱাৰ কাব্যিক প্ৰতিভা বিচাৰ কৰা।

(ঞ) আধুনিক কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) হীৰেন ভট্টাচাৰ্যৰ 'মোৰ দেশ' কবিতাটিৰ অন্তৰ্নিহিত দেশপ্ৰেমৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(খ) নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত 'দ্ৰৌপদী' কবিতাটিত নাৰী মনস্তত্ত্ব কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিত অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ পটভূমিত মানৱীয় কৰ্ম কেনেদৰে অভিব্যক্ত হৈছে, আলোচনা কৰা।

(ঘ) দ্বিতীয় বিশ্বযুদ্ধই আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তু আৰু প্ৰকাশৰীতিলৈ কি কি নতুনত্ব আনিলে, বিচাৰ কৰা।



Scanned with AnyScanner

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' নাটকত বিয়াল্লিছৰ গণ-আন্দোলন আৰু দ্বিতীয় মহাসমৰৰ চিত্ৰ কিদৰে প্ৰকাশিত হইছে, আলোচনা কৰা।

(খ) কৰুণা ডেকাৰ 'লুইত কন্যা' নাটকখনৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) আধুনিক অসমীয়া নাটকৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

★★★



Scanned with AnyScanner

**2023**

# ASSAMESE

Paper : ASMHC2046

**( Functional Grammar of Assamese )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Central Library
Baksa
Pin 781320
Estd. 1983
Salbari college, Salbari

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) পাণিনিৰ ব্যাকৰণখনৰ নাম

*(i)* অসমীয়া ব্যাকৰণ জ্যোতি

*(ii)* ল'ৰাবোধ ব্যাকৰণ

*(iii)* অষ্টাধ্যায়ী

*(iv)* অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

(খ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি

*(i)* পাঁচটা

*(ii)* দহটা

*(iii)* এঘাৰটা

*(iv)* আঠটা



Scanned with AnyScanner

(গ) অসমীয়া ভাষাত লিঙ্গ

(i) চাৰিটা

(ii) দুটা

(iii) তিনিটা

(iv) পাঁচটা

(ঘ) বিশেষণ পদৰ ভাগ

(i) দুটা

(ii) চাৰিটা

(iii) তিনিটা

(iv) পাঁচটা

(ঙ) —'বিলাক', — 'বোৰ', '—হ'ত' আদি

(i) নিৰ্দিষ্টতাবাচক প্ৰত্যয়

(ii) বহুবচনাত্মক প্ৰত্যয়

(iii) তদ্ধিত প্ৰত্যয়

(iv) কৃৎ প্ৰত্যয়

(চ) "যিয়ে ব্যাকৰণ মনপুতি শিকে সেয়ে পাছলৈ ভাষাটো ভালকৈ শিকে।" বাক্যটো

(i) সৰল বাক্য

(ii) জটিল বাক্য

(iii) যৌগিক বাক্য

(iv) ওপৰৰ আটাইকেইটা



Scanned with AnyScanner

(ছ) অসমীয়া ভাষাত কাৰক

(i) পাঁচ প্ৰকাৰ

(ii) তিনি প্ৰকাৰ

(iii) ছয় প্ৰকাৰ

(iv) এটাও নহয়

(জ) বাক্যৰ প্ৰধান উপাদান

(i) পদ

(ii) সুৰ-লহৰ

(iii) বিভক্তি

(iv) পদৰ আকাংক্ষা, যোগ্যতা আৰু আসক্তি

(ঝ) অসমীয়া ভাষাত বচন

(i) তিনিটা

(ii) দুটা

(iii) চাৰিটা

(iv) পাঁচটা

(ঞ) 'কাউৰীৰ কা কা', ঘড়ীৰ টং টং' আদি

(i) অনুৰূপ শব্দ

(ii) যুৰীয়া শব্দ

(iii) অনুকাৰ শব্দ

(iv) ধ্বন্যাত্মক শব্দ



Scanned with AnyScanner

২। চমুকৈ উত্তৰ লিখা (যি কোনো **পাঁচটা**) : ২×৫=১০

(ক) বাক্য কাক বোলে?

(খ) তৎসম আৰু তদ্ভৱ শব্দৰ পাৰ্থক্য লিখা।

(গ) সমাপিকা ক্ৰিয়া কাক বোলে? উদাহৰণৰে লিখা।

(ঘ) বাক্যৰ নিকটস্থ অঙ্গ কি? উদাহৰণ দি বুজাই লিখা।

(ঙ) নিৰ্দিষ্টতাবাচক প্ৰত্যয়সমূহ কি কি? উদাহৰণৰে বুজাই দিয়া।

(চ) অসমীয়াত শব্দবিভক্তি কেইপ্ৰকাৰ আৰু কি কি?

(ছ) অসমীয়া ভাষাৰ দুটা উপসৰ্গ উদাহৰণৰে সৈতে লিখা।

৩। তলৰ যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) বিশেষ্য পদ কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি?

(খ) ব্যাকৰণ বুলিলে কি বুজা? ইয়াৰ প্ৰকাৰসমূহ কি কি, উল্লেখ কৰা।

(গ) কাৰকৰ সূত্ৰ লিখি ভাগসমূহ দাঙি ধৰা।

(ঘ) কৃৎপ্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়ৰ সূত্ৰ লিখি উদাহৰণ দিয়া।



Scanned with AnyScanner

(ঙ) সৰ্বনাম পদ কাক বোলে? ই কেইপ্ৰকাৰ আৰু কি কি?

(চ) যতিচিহ্ন কি? বাক্যত যতিচিহ্নৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা।

(ছ) গঠনৰ ভিত্তিত বাক্যক কেইভাগত ভগাব পাৰি আৰু কি কি? প্ৰতিবিধৰে এটাকৈ উদাহৰণ দিয়া।

(জ) অসমীয়া খণ্ডবাক্য আৰু বাক্যাংশৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(ঝ) সকৰ্মক আৰু অকৰ্মক ক্ৰিয়া কাক বোলে? উদাহৰণৰ সৈতে দাঙি ধৰা।

(ঞ) প্ৰত্যক্ষ উক্তি আৰু পৰোক্ষ উক্তিৰ সূত্ৰ লিখি উদাহৰণ দিয়া।

৪। তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) বিশেষণ পদ কাক বোলে? ই প্ৰধানকৈ কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰতিবিধৰে সূত্ৰসহ উদাহৰণ দাঙি ধৰা। ২+২+৬=১০

(খ) অসমীয়া শব্দসম্ভাৰসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা। ১০

(গ) বাক্যৰ যোগ্যতা, আসক্তি আৰু আকাংক্ষা সম্পৰ্কে চমুকৈ আলোচনা কৰা। ১০

(ঘ) প্ৰত্যয় বুলিলে কি বুজা? ইয়াক কেইভাগত ভগাব পাৰি আৰু কি কি? প্ৰত্যেকৰে সংজ্ঞা লিখি উদাহৰণ দিয়া। ২+২+৬=১০



Scanned with AnyScanner

৫। (ক) অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে এটি সমীক্ষাত্মক আলোচনা প্ৰস্তুত কৰা। ১৪

*নাইবা*

(খ) কাৰকৰ সংজ্ঞা আৰু প্ৰকাৰৰ পৰিচয়সহ অসমীয়া ভাষাত কাৰক কিদৰে সাধন কৰা হয়, বুজাই লিখা।

*নাইবা*

(গ) "সুৰলহৰৰ অবিহনে বাক্য উচ্চাৰিত হ'ব নোৱাৰে।" সুৰলহৰ কি? বাক্যত সুৰলহৰৰ প্ৰয়োগ সম্পৰ্কে এটি চমু আলোচনা দাঙি ধৰা। ২+১২=১৪

★★★



Scanned with AnyScanner

Central Library ★ Saibari college, Saibari

**2023**

# ASSAMESE

Paper : ASMHE6036

**( Assamese Short Story and Novel )**

*Full Marks : 80*
*Pass Marks : 32*

*Time : 3 hours*

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) অসমীয়া চুটিগল্পৰ জনক হ'ল

*(i)* হেমচন্দ্ৰ বৰুৱা

*(ii)* লক্ষ্মীনাথ বেজবৰুৱা

*(iii)* শৰৎচন্দ্ৰ গোস্বামী

*(iv)* দণ্ডিনাথ কলিতা

(খ) প্ৰথম অসমীয়া চুটিগল্পটিৰ নাম হ'ল

*(i)* ভদৰী

*(ii)* চেনীচম্পা

*(iii)* সেউতী

*(iv)* পুত্ৰবান পিতা

*( Turn Over )*

(গ) আৱাহন যুগৰ এগৰাকী গল্পকাৰ হ'ল

*(i)* মণিকুন্তলা ভট্টাচাৰ্য

*(ii)* মনোজ কুমাৰ গোস্বামী

*(iii)* বন্দিতা ফুকন

*(iv)* লক্ষ্মীধৰ শৰ্মা

(ঘ) 'অসমীয়া চুটিগল্পৰ অধ্যয়ন' শীৰ্ষক গ্ৰন্থখনৰ ৰচক হ'ল

*(i)* প্ৰহ্লাদ কুমাৰ বৰুৱা

*(ii)* ত্ৰৈলোক্যনাথ গোস্বামী

*(iii)* বাণীকান্ত কাকতি

*(iv)* যোগেশ দাস

(ঙ) কোনখন গ্ৰন্থৰ বাবে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই 'জ্ঞানপীঠ' বঁটা লাভ কৰিছিল?

*(i)* প্ৰতিপদ

*(ii)* মৃত্যুঞ্জয়

*(iii)* ইয়াৰুইঙ্গম

*(iv)* ৰাজপথে ৰিঙিয়ায়

(চ) প্ৰথম অসমীয়া উপন্যাসখনৰ নাম হ'ল

*(i)* ভানুমতী

*(ii)* লাহৰী

*(iii)* পদুম কুঁৱৰী

*(iv)* কেঁচাপাতৰ কঁপনি



Scanned with AnyScanner

(ছ) 'ফেলানী' উপন্যাসখনৰ ৰচক কোন?

(i) মামনি ৰয়চম গোস্বামী

(ii) নিৰ্মলপ্ৰভা বৰদলৈ

(iii) নিৰুপমা বৰগোহাঞি

(iv) অৰূপা পটঙীয়া কলিতা

(জ) 'উপন্যাস সম্ৰাট' বুলি কাক কোৱা হয়?

(i) দৈৱচন্দ্ৰ তালুকদাৰ

(ii) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

(iii) ৰজনীকান্ত বৰদলৈ

(iv) ভবেন্দ্ৰনাথ শইকীয়া

(ঝ) 'উপন্যাস আৰু অসমীয়া উপন্যাস' শীৰ্ষক গ্ৰন্থখনৰ ৰচক হ'ল

(i) ডিম্বেশ্বৰ নেওগ

(ii) গোবিন্দ প্ৰসাদ শৰ্মা

(iii) নগেন ঠাকুৰ

(iv) ত্ৰৈলোক্যনাথ গোস্বামী

(ঞ) ভবেন্দ্ৰনাথ শইকীয়াই কিমান চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(i) ১৯৫৫

(ii) ১৯৬১

(iii) ১৯৬৫

(iv) ১৯৭৬



Scanned with AnyScanner

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) মামনি ৰয়চম গোস্বামীয়ে কিমান চনত আৰু কি গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(খ) ৰামধেনু যুগৰ দুগৰাকী গল্পকাৰৰ নাম লিখা।

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন চুটিগল্পপুথিৰ নাম উল্লেখ কৰা।

(ঘ) "......তোৰ ওপৰত যদি মোৰ কিবা কু-ভাব হৈছিল, আজিৰ পৰা আৰু সেইবোৰ এৰিলোঁ। তোক বিতুষ্ট কৰিলে দেৱী বিতুষ্ট হ'ব। আজিৰ পৰা তই মোৰ ধৰ্মৰ লগৰী হ'বি।" কথাষাৰ কোনে, কাক কৈছিল?

(ঙ) লক্ষ্মীধৰ শৰ্মাৰ চুটিগল্পৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(চ) সামাজিক কালৰ উপন্যাসৰ দুটা বৈশিষ্ট্য লিখা।

(ছ) সামাজিক উপন্যাস বুলিলে কি বুজা?

৩। তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ৫×৬=৩০

(ক) আৱাহন যুগৰ চুটিগল্পৰ পাঁচটা বৈশিষ্ট্য লিখা।

(খ) 'পাতমুগী' গল্পটিৰ মূল বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(গ) 'ব্যৰ্থতাৰ দান' গল্পৰ মাজেৰে আদৰ্শ প্ৰেমৰ স্বৰূপ কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।



Scanned with AnyScanner

(ঘ) 'ব্যৰ্থতাৰ দান' গল্পটিৰ আধাৰত লিলি আৰু তৰুৰ চৰিত্ৰ বিশ্লেষণ কৰা।

(ঙ) 'মাকনৰ গোসাঁই' গল্পৰ আধাৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ চুটিগল্পৰ বৈশিষ্ট্যবোৰ লিখা।

(চ) 'ৰিনিকি ৰিনিকি দেখিছোঁ যমুনা' শীৰ্ষক গল্পৰ আধাৰত মামনি ৰয়চম গোস্বামীৰ গল্পৰ এটি মূল্যায়ন কৰা।

(ছ) 'কবিগংগা' গল্পটিৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ ৰচনাৰীতি সম্পৰ্কে আলোচনা কৰা।

(জ) অসমীয়া গল্প-সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান সম্পৰ্কে আলোচনা কৰা।

(ঝ) উপন্যাসত কাহিনীৰ গুৰুত্ব সম্পৰ্কে লিখা।

(ঞ) 'অন্তৰীপ' উপন্যাসৰ পটভূমি সম্পৰ্কে এটি টোকা লিখা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অসমীয়া চুটিগল্পৰ বিকাশত 'আৱাহন' কাকতৰ বৰঙণি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) 'অন্তৰীপ' উপন্যাসত নাৰীৰ মনস্তাত্ত্বিক দিশ কেনেদৰে প্ৰকাশ কৰা হৈছে, মেনকা চৰিত্ৰটিৰ জৰিয়তে আলোচনা কৰা।



Scanned with AnyScanner

(গ) 'ফেলানী' উপন্যাসত ফেলানী চৰিত্ৰৰ মাজেদি যন্ত্ৰণাক্লিষ্ট জীৱনৰ মৰ্মস্পৰ্শী ছবি কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঘ) অৰূপা পটঙ্গীয়া কলিতাৰ 'ফেলানী' উপন্যাসত অসমৰ সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে উপস্থাপন কৰা হৈছে, লিখা।

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) যুদ্ধোত্তৰ বা ৰামধেনু যুগৰ চুটিগল্পৰ পটভূমি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(খ) অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) অসমীয়া উপন্যাসৰ বিকাশৰ সামগ্ৰিক ধাৰাটি আলোচনা কৰা।

★★★



Scanned with AnyScanner

# 63/1 (SEM-4) CC9/ASMHC4096

Central College, Salbari

## 2023

## ASSAMESE

Paper : ASMHC4096

**( Language Varieties )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) "ভাষা, জাতি আৰু সংস্কৃতিৰ মাজত কোনো স্বাভাৱিক সম্পৰ্ক নাই।" কথাষাৰ

*(i)* সঁচা

*(ii)* মিছা

*(iii)* আংশিকভাৱে সঁচা

*(iv)* আংশিকভাৱে মিছা

(খ) মহাত্মা গান্ধীয়ে ভাৰতত এটা কৃত্ৰিম ৰাষ্ট্ৰভাষা চলাবলৈ চেষ্টা কৰিছিল। সেই ভাষাটোক গান্ধীজীয়ে কি নাম দিছিল?

(i) হিন্দী

(ii) তেলেগু

(iii) গুজৰাটী

(iv) হিন্দুস্থানী

(গ) ড. ঝমেনহফে উদ্ভাৱন কৰা ভাষাটোৰ কি নাম আছিল?

(i) যাযাবৰী

(ii) এছপিৰেন্টো

(iii) ক্ৰেওল

(iv) সন্ধ্যাভাষা

(ঘ) ১৮৪৬ চনত প্ৰকাশ পোৱা প্ৰথম ছপা হোৱা অসমীয়া কাকতখনৰ নাম কি আছিল?

(i) বাঁহী

(ii) জোনাকী

(iii) বিজুলী

(iv) অৰুণোদই



Scanned with AnyScanner

(ঙ) 'মাইহাং' কি ভাষাৰ শব্দ?

*(i)* বড়ো

*(ii)* টাই-আহোম

*(iii)* টাই-খামতি

*(iv)* গাৰো

(চ) অসমীয়া ভাষাৰ উপভাষাসমূহক প্ৰধানকৈ কেইটাভাগত ভাগ কৰা হৈছে?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* পাঁচটা

(ছ) '—এৰা' এটা কি বাচক প্ৰত্যয়?

*(i)* নিৰ্দিষ্টতাবাচক প্ৰত্যয়

*(ii)* মধ্যপ্ৰত্যয়

*(iii)* কৃৎ প্ৰত্যয়

*(iv)* পুৰুষবাচক প্ৰত্যয়

( *Turn Over* )



Scanned with AnyScanner

(জ) গোৱালপৰীয়া উপভাষাৰ ভাগ

(i) তিনিটা

(ii) চাৰিটা

(iii) দুটা

(iv) ছয়টা

(ঝ) 'ভাষাবিজ্ঞান' গ্ৰন্থখনৰ লিখক কোন?

(i) ৰমেশ পাঠক

(ii) নগেনঠাকুৰ

(iii) উপেন্দ্ৰনাথ গোস্বামী

(iv) ভীমকান্ত বৰুৱা

(ঞ) অসমীয়া ভাষাৰ কাৰক

(i) পাঁচ প্ৰকাৰ

(ii) ছয় প্ৰকাৰ

(iii) সাত প্ৰকাৰ

(iv) চাৰি প্ৰকাৰ



Scanned with AnyScanner

২। চমু উত্তৰ লিখা (যি কোনো **পাঁচটা**) : ২×৫=১০

(ক) স্বৰধ্বনি কাক বোলে?

(খ) ভাষাৰ এটি উৎকৃষ্ট সংজ্ঞা লিখা।

(গ) অসমীয়া ভাষাত বচন কেইপ্ৰকাৰ আৰু কি কি?

(ঘ) সংযোগী ভাষা কাক বোলে?

(ঙ) কামৰূপী উপভাষাৰ ভাগ কেইটা, কি কি?

(চ) ভাৰতীয় আৰ্যভাষাৰ স্তৰকেইটাৰ নাম লিখা।

(ছ) অসমীয়া ভাষাৰ দুটা উপভাষাৰ নাম লিখা।

৩। তলৰ যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) মাতৃভাষা বুলিলে কি বুজা? নিজৰ মাতৃভাষা সম্পৰ্কে চমুকৈ লিখা।

(খ) পিজিণৰ বৈশিষ্ট্যকেইটামান লিখা।

(গ) চমু টোকা লিখা :

ব্যক্তিভাষা, মান্যভাষা।

(ঘ) আন্তঃৰাষ্ট্ৰীয় ভাষা সম্পৰ্কে চমুকৈ লিখা।



Scanned with AnyScanner

(ঙ) বড়ো শাখাৰ ভাষাবোৰ উত্তৰ-পূৰ্বাঞ্চলৰ কোন কোন ঠাইত প্ৰচলিত হৈ আছে, লিখা।

(চ) গোৱালপৰীয়া উপভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ বিষয়ে লিখা।

(ছ) আধুনিক অসমীয়া ভাষাৰ অনিৰ্দিষ্টতাবাচক প্ৰত্যয়কেইটা উদাহৰণৰ সৈতে লিখা।

(জ) তিব্বত-বৰ্মী ভাষা সম্পৰ্কে চমুকৈ লিখা।

(ঝ) ৰাষ্ট্ৰভাষা কাক বোলে? ভাৰতবৰ্ষৰ ৰাষ্ট্ৰভাষা কি?

(ঞ) গোৱালপৰীয়া উপভাষাৰ বৈশিষ্ট্যকেইটামান লিখা।

৪। তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) কামৰূপী উপভাষা সম্পৰ্কে চমুকৈ লিখা। উজনি অসমৰ মান্য অসমীয়া ভাষাৰ লগত ইয়াৰ পাৰ্থক্যবোৰ আলোচনা কৰা।

(খ) ভাষা আৰু সংস্কৃতি সম্পৰ্কে আলোচনা কৰা।

(গ) আধুনিক অসমীয়া ভাষাৰ বিকাশত বাতৰিকাকত আৰু গণমাধ্যমৰ ভূমিকা সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঘ) ভাষাৰ সংজ্ঞা দাঙি ধৰি ভাষাৰ বিশেষত্বকেইটা আলোচনা কৰা।



Scanned with AnyScanner

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) ভাষাৰ উৎপত্তি সম্পৰ্কে প্ৰচলিত মতবাদসমূহৰ এটি বিশদ আলোচনা আগবঢ়োৱা।

(খ) বড়ো ভাষাত অসমীয়া ভাষাৰ উপাদান সম্পৰ্কে এটি প্ৰবন্ধ যুগুতোৱা।

(গ) মিচিং ভাষা, দেউৰী ভাষা, ৰাভা ভাষা আৰু গাৰো ভাষা সম্পৰ্কে আলোচনা কৰা।

★ ★ ★



Scanned with AnyScanner

63/1 (SEM–4) CC8/EDNHC4086

Library ✩ Salbani College, Salbani

**2023**

EDUCATION

Paper : EDNHC4086

**( Educational Technology )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

1. Choose the correct answer from the following (any *six*) : 1×6=6

   *(a)* The word 'technology' is derived from which word

   *(i)* Latin

   *(ii)* Greek

   *(iii)* French

   *(iv)* German



Scanned with AnyScanner